অধ্যায় ১৫ঃ জন ৰাওলচ্— পক্ষপাতহীন ৰূপত ন্যায়

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ ন্যায় কি
১৫.৪ ন্যায় বিতৰণ
১৫.৫ জন ৰাওলচ্ৰ ন্যায় তত্ত্ব
১৫.৬ সমালোচনা
১৫.৭ সামৰণি
১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৯ অধিক জানিবলৈ
১৫.১০ অগ্রগতিৰ খতিয়ান
১৫.১১ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ন্যায়ৰ অর্থ বুজিব পাৰিব
- সমাজৰ বাবে ন্যায় কিয় প্রয়োজনীয় বুজি পাব
- ন্যায় বিতৰণৰ অর্থ বুজি পাব
- ৰাওলচে তেওঁৰ ন্যায় তত্ত্বত ন্যায়ৰ কি ব্যাখ্যা দাঙি ধৰিছে জানিব পাৰিব
- ৰাওলচ্ৰ ন্যায় তত্ত্বৰ বিপক্ষে থকা সমালোচনা বোৰৰ বিষয়ে জানিব পাৰিব।

১৫.২ পৰিচয়

'A Theory of Justic' হ'ল জন ৰাওলচ্ৰ ৰাজনৈতিক দর্শন আৰু নীতি বিষয়ক গ্রন্থ। ইয়াত তেওঁ বণ্টনাত্মক ন্যায়ৰ সমস্যাটো সমাধান কৰাৰ চেষ্টা কৰিছে। ইয়াৰ বাবে তেওঁ সামাজিক চুক্তিৰ পৰিচিত আহিলাৰ এটা তাৰতম্য প্রদর্শক ৰূপ প্রয়োগ কৰিছে। এই তত্ত্বটোক 'পক্ষপাতহীন ৰূপত ন্যায়' বুলিও জনা যায়। ১৯৭১ চনত প্রথমবাৰ প্রকাশিত গ্রন্থখনৰ ১৯৭৫ আৰু ১৯৯১ চনত সংশোধিত সংস্কৰণ প্রকাশিত হৈছিল।

১৫.৩ ন্যায় কি

ন্যায় হ'ল দার্শনিক তত্ত্বৰ স্বীকৃত বৈশিষ্ট্য (legal fairness)'। ইয়াৰ সহায়ত পক্ষপাতহীনতা

(fairness) ক বাস্তৱ ৰূপ দিয়া হয়। ই হ'ল সামাজিক জীৱনৰ কেন্দ্রীয় নৈতিক স্বীকৃত মান। সামাজিক তত্ত্ব আৰু সামাজিক কার্যত ন্যায়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

পৰম্পৰাগতভাৱে ন্যায়ক 'আনুষ্ঠানিক ন্যায় (formal justice/ আইন) আৰু 'বৈষয়িক ন্যায়' (Material justice/ নৈতিকতা আৰু ৰাজনীতি) শিতানত ৰাখি ইয়াৰ প্রভেদ নিৰূপন কৰা হৈ আহিছে। কিন্তু কিছুমান ন্যায় তাত্ত্বিকে দুয়োটা ধাৰণাকে সমান্তৰাল অথবা অধিক্রমী বৈশিষ্ট্যসম্পন্ন বুলি গণ্য কৰে। তেওঁলোকৰ যুক্তি অনুসৰি ন্যায়িক (legal) অথবা ফৌজদাৰী ন্যায় (criminal justice) ৰ উদ্দেশ্য হ'ল দোষীক শাস্তি বিতৰণ কৰা। ইয়াৰ সামাজিক ন্যায়ৰ সৈতে যথেষ্ট মিল আছে। সমামাজিক ন্যায়ে কোনে এক জনসংখ্যাৰ মাজত দুর্লভ সামগ্রী সম-বিতৰণ কৰাৰ চেষ্টা চলায়। দুয়োবিধ ন্যায়ৰে ভেটিহ'ল যুক্তিসংগত প্রক্রিয়া অৱলম্বন, পক্ষপাতহিনতা আৰু যথোপযুক্ত শিতালৈ সম্পদৰ যথোপযুক্ত বিতৰণৰ ধাৰণাসমূহ।

অধিকাংশ শিক্ষায়তনিকে বিতর্কত লিপ্ত হোৱা বিষয়টো হ'ল ন্যায়ৰ ধাৰণা। এই ধাৰণাটোৰ জন ৰাওলচ্ৰ প্রসিদ্ধ 'প্রেভেদ নীত' (difference principle) ৰ ভিত্তিত উত্থান ঘটিছে বুলি কোৱা হয়। 'প্রভেদ নীত' অনুসৰি দুর্লভ সামগ্রী (ক্ষমতা, ধন, স্বাস্থ্যযত্নৰ সুবিধা আদি)ৰ বিতৰণত থকা অসমতাবোৰক তেতিয়াহে ন্যায়সংগত বুলি ক'ব পৰা যাব যেতিয়াএইবোৰে সমাজৰ সবাতোকৈ বঞ্চিত শ্রেণীবোৰে উপভোগ কৰিবলৈ পোৱা সা-সুবিধাবোৰৰ পৰিমাণ বৃদ্ধি কৰিব।

১৫.৪ ন্যায় বিতৰণ

ন্যায় বিতৰণ 'Just distribution' অথবা বিতৰণসাধ্য ন্যায় 'distributive justice' এ সমাজ ত্রখনৰ প্রকৃত অনুসৰি সামগ্রীৰ ন্যায়সংগত আবণ্টনৰ কথা বুজায়। এই ধাৰণাটোৰ সৈতে সামগ্রীৰ সহজলভ্য পৰিমান, সামগ্রী বিতৰণৰ প্রক্রিয়া আৰু সমাজৰ সদস্যসকলৰ মাজৰ সামগ্রীৰ কার্যফলকেন্দ্রিক আবণ্টনৰ দিশবোৰো জড়িত হৈ থাকে।

জন ৰাওলচ্ নিজে বিতৰণসাধ্য ন্যায়ৰ ধাৰণাটোৰ প্রতি বিশেষভাৱে মনোযোগী আছিল। তেওঁৰ মতে এই বিতৰণ হ'ল 'সামাজিক উদবৃত্ত' (social surplus)ৰ বিতৰণ। ইয়াৰ অর্থ হ'ল এখন সমাজত সহযোগিতাৰে কাম কৰিহে আমি আমাক প্রয়োজন হোৱা সকলো বস্তু পাব পাৰোঁ।

ৰাওলচে বিশ্বসা কৰিছিল যে ন্যায় অনুষ্ঠান (just institutions) ৰ জৰিয়তে ন্যায় সৃষ্টি কৰিব পাৰি। তেওঁৰ মতে এখন সমাজৰ 'মৌলিক সংৰচনা' (basic structure) টো যদি ন্যায়সংগত হয়, তেন্তে সমাজখনো ন্যায়সংগত হ'ব। ৰাওলচে কৈছিল যে কোনটো সামাজিক অনুষ্ঠান ন্যায়সংগত সেয়া নিৰূপণ কৰিবলৈ আমি অন্ধবিশ্বাস আৰু পক্ষপাতহীনতাৰ পৰা মুক্ত যুক্তিযুক্ততাৰে পৰিচালিত প্রতিনিধিসকলে কেনেধৰণৰ সামাজিক সংৰচনা বাছনি কৰে সেয়া আৱিষ্কাৰ কৰিব লাগিব। অর্থাৎ, এই প্রতিনিধিসকলে সমাজৰ মৌলিক অনুষ্ঠানটো পৰিচালনা কৰিবলৈ ন্যায়ৰ কোনটো নীতি উপযুক্ত বুলি ধৰি লয় সেয়া বিচাৰি উলিয়াব লাগিব।

১৫.৫ জন ৰাওলচ্ৰ ন্যায় তত্ত্ব

ৰাওলচ্ৰ ন্যায় তত্ত্বটো ন্যায়ৰ দুটা মৌলিক নীতিৰ অভিযোজনক কেন্দ্ৰ কৰি বিকশিত হৈছে। দুয়োটা নীতিৰ মাজত সামঞ্জস্য স্থাপন হ'লে এখন ন্যায়পূৰ্ণ আৰু নৈতিকভাৱে গ্ৰহণযোগ্য সমাজৰ নিশ্চিতিপোৱা যায়। প্ৰথম নীতিটোৱে এই নিশ্চিতি প্ৰদান কৰে যে প্ৰতিগৰাকী ব্যক্তিৰেই অধিকাৰ হ'ল সৰ্বাংগীন প্ৰকৃতিৰ মৌলিক স্বাধীনতা আৰু ই অন্য ব্যক্তিৰ স্বাধীনতাৰ সৈতে অবিৰোধীভাৱে সহাৱস্থান কৰিব পাৰে। দ্বিতীয় নীতিটোৰ মতে সামাজিক আৰু অৰ্থনৈতিক স্থিতিবোৰ (ক) প্ৰতিগৰাকী ব্যক্তিকে সুবিধা প্ৰদানকাৰী আৰু (খ) প্ৰতিগৰাকী ব্যক্তিৰ বাবে মুকলি হ'ব লাগে।

ৰাওলচৰ চিন্তাত ধৰা পৰা প্ৰধান সমস্যাটো হ'ল— এনেধৰণৰ নীতি কেনেকৈ সাৰ্বজনীনভাৱে গ্ৰহণ কৰা হ'ব সেয়া নিৰ্ধাৰণ কৰা। এইখিনিতেই সাধাৰণ ন্যায় নিষ্ঠ বিষয়বোৰে প্ৰশ্নৰ ৰূপ ধাৰণ কৰে। তেওঁ এটা তাত্ত্বিক 'অজ্ঞতাৰ আচ্ছাদন' (veil of ignorance) নামৰ ধাৰণা দাঙি ধৰিছে। এই ধাৰণা অনুসৰি কোনো এটা পৰিস্থিতিত খেলা সামাজিক খেল এটাৰ সকলো 'খেলুৰৈ'য়েই 'মৌলিক স্থিতি' (Original Position) ত অৱস্থান গ্ৰহণ কৰে। কেৱল 'জীৱন আৰু সমাজ'ৰ যথার্থতাৰ সাধাৰম জ্ঞান থকা প্ৰতিগৰাকী খেলুৰৈয়ে নিজ নিজ নৈতিক বাধ্যবাধকতাৰ আধাৰত খেলৰ নীতি-নিয়মবোৰ মানি চলে। অন্য খেলুৰৈক নিজৰ বিষয়ে বিশেষ তথ্য জনাবলৈ অস্বীকাৰ কৰাৰ ফলত প্ৰতিগৰাকী খেলুৰৈয়ে নৈতিক দৃষ্টিকোণেৰে যথেষ্ট সাদৃশ্য থকা একোটা সাধাৰণীকৃত দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ বাধ্য হয়।

ৰাওলচ্ৰ মতে এখন সমাজৰ বাবে সবাতোকৈ যুক্তিসংগত ন্যায়ৰনীতিবোৰে সমাজখনৰ সদস্যসকলক 'অজ্ঞতাৰ আচ্ছাদন'ৰ আঁৰত থাকিবলৈ সন্মত কৰায়। প্ৰতিগৰাকী সদস্যকে একো একোটা নৈতিকক্ষমতা ৰূপে উপস্থাপন কৰিব পৰা পৰিস্থিতিত এই কথা প্ৰযোজ্য। এই স্থিতিয়ে সমৰ্থন কৰা কথাটো হ'ল প্ৰতিগৰাকী সদস্যই গ্ৰহণ কৰাপ্ৰতিটো অৱস্থানৰে ফলাফল আৰু লক্ষ্য ভিন ভিন, পৃষ্ঠভূমি আৰু প্ৰতিভাও ভিন ভিন। কিন্তু প্ৰতিগৰাকী সদস্যই নিজ প্ৰতিভা বিকাশৰ ন্যায্য সুযোগ পোৱা উচিত। তেওঁলোকে নিজ লক্ষ্যত উপনীত হ'বলৈকো সমানে ন্যায্য সুযোগ পোৱা উচিত। সমাজত প্ৰতিগৰাকী সদস্যৰ মাজত সম্পূৰ্ণ সহযোগিতা থকা উচিত যাতে সকলোৱে একো একোটা যুক্তিযুক্ত জীৱন কটাব পাৰে।

আমি কিয় ৰাওলচ্ৰ ন্যায়ৰ নীতি গ্ৰহণ কৰা উচিত?

ৰাওলচ্ৰ নীতিয়ে মূলতঃ সকলোৰে মাজত সমতা স্থাপনৰ পোষকতা কৰে। প্ৰতিগৰাকী ব্যক্তিৰে একে মৌলিক স্বাধীনতা আৰু সুবিধা থাকে। প্ৰগিৰাকী ব্যকিয়ে অন্য ব্যক্তিৰ অস্তিত্ব মানি ল'বলৈ নৈতিকভাৱে বাধ্য। ইয়াৰ ফলত প্ৰতিগৰাকী ব্যক্তিৰে সামাজিক স্থিতি আৰু ইচ্ছাবোৰ সমান হৈ পৰে। অধিকাংশ লোকে যি ইচ্ছা কৰে তাকেই সম্ভৱতঃ প্ৰতিযোগিতাৰ সৃষ্টি হয়। প্ৰতিযোগিতামূলক পৰিৱেশৰ সুবিধা এটা হ'ল ইয়াত সকলো পক্ষৰে উন্নতি হোৱাৰ সুযোগ থাকে। কাৰণ, এনে পৰিৱেশত প্ৰত্যেকেই পৰস্পৰতকৈ শ্ৰেষ্ঠ হোৱাৰ যুঁজত অৱতীৰ্ণ হয়।

আকৌ, সুযোগ-সুবিধাৰ পক্ষপাতহীন সমানতা বিৰাজ কৰা পৰিৱেশত সকলো ধৰণৰ জাতিগত, নৃগোষ্ঠীয় মূল কেন্দ্রিক, সামাজিক মানভিত্তিক, ধর্মীয় অসহিষ্ণুতা কেন্দ্রিক আৰু ধর্মীয় বিশ্বাস ভিত্তিক বৈষম্য আঁতৰাব পৰা যায়। প্রতিগৰাকী ব্যক্তি এই আটাইবোৰ বৈশিষ্ট্যৰ গৰাকী। এইবোৰেই তেওঁক এগৰাকী 'ব্যক্তি' (individual)ত পৰিণত কৰে। এই বৈশিষ্ট্যবোৰে সৃষ্টি কৰা কোনো বাহ্যিক মতামতৰ দ্বাৰা ব্যক্তিৰ স্বাধীনতা প্রভাৱিত হ'লে ন্যায় ৰক্ষা নপৰে। অন্য ব্যক্তিয়ে কাৰোবাৰ এই বিশেষত্ববোৰ দমন কৰিলেও ন্যায় প্রভাৱিত হয়।

১৫.৬ সমালোচনা

১৯৭৪ চনত হার্ভার্ড বিশ্ববিদ্যালয়ৰ সহকর্মী ৰ'বার্ট নজিকে ৰাওলচ্ ব্যক্তি স্বতন্ত্র্যবাদী ন্যায় তত্ত্বৰ বিৰোধিতা কৰি (Abarchy, Stagte and Utopia) নামৰ গ্রন্থখন প্রকাশ কৰিছিল। ৰাওলচ্ৰ আন এগৰাকী সহকর্মী মাইকেল ৰালঝাৰে নজিকৰ সৈতে মিলি পাঠদান কৰা এক আলোচনা চক্রৰ অন্তত প্রজাসমাজবাদী ৰাজনৈতিক দর্শনৰ বিৰোধিতা কৰি (Spheres of Justice) নামৰ গ্রন্থখন প্রকাশ কৰিছিল। আকৌ, হার্ভার্ড বিশ্ববিদ্যালয়ৰেই আন এগৰাকী অধ্যাপক মাইকেল চান্দেলে তেওঁৰ (Liberalism and the Limits of Justice) গ্রন্থখনত ৰাওলচ্ক সমালোচনা কৰি কৈছিল যে তেওঁ মানুহক ব্যক্তিৰূপে গঢ় দিয়া প্রমূল্য আৰু প্রত্যাশাবোৰ বাদ দি ন্যায়ৰ কথা ভাবিবলৈ কৈছে. চান্দোলৰ মতে এই প্রমূল্য আৰু প্রত্যাশাবোৰে আমাক ন্যায় কি সেয়া নির্ণয় কৰাত সহায় কৰে।

চুজান ম'লেৰ অ'কিনৰ দৰে ৰাওলচ্ৰ নাৰীবাদী সমালোচকসকলে নাৰীকেন্দ্রিক সম্পর্কবোৰত প্রোথিত অন্যায় আৰু পদানুক্রমবোৰ বিবেচনা নকৰাৰ দোষত জগৰীয়া কৰিছিল। ৰাওলচ্ৰ যুক্তি অনুসৰি ন্যায় কেৱল সমাজৰ মৌলিক সংৰচনাৰ ক্ষেত্রতহে প্রযোজ্য। 'ব্যক্তিগত মানেই ৰাজনীতি' বিষয়বস্তুক কেন্দ্র কৰি আন্দোলন কৰা নাৰীবাদীসকলে পুৰুষতান্ত্রিককেন্দ্র কৰি আন্দোলন কৰা নাৰীবাদীসকলে পুৰুষতান্ত্রিক সামাজিক সম্পর্কবোৰে নাৰীৰ প্রতি কৰা অন্যায় আৰু বিশেষকৈ ঘৰ-পৰিয়ালত প্রচলিত শ্রমৰ সামাজিক লিংগভিত্তিক শ্রেণীবিভাজনৰ দিশ দুটা আওকাণ কৰাৰ বাবে ৰাওলচ্ৰ সমালোচনা কৰিছিল।

১৫.৭ সামৰণি

ওপৰৰ আলোচনাৰ পৰা আমি বুজিলো যে ব্যক্তিভেদে ন্যায়ৰ অর্থ ভিন ভিন হ'ব পাৰে। ন্যায় কেৱল বাস্তৱতা নহয়। ই অর্থনৈকিক অসমতা, সাংস্কৃতিক অসন্মান, জৈৱিক লিংগাভিত্তিক অসন্মান, সামাজিক লিংগভিত্তিক প্রভেদ আদিৰ দৰে কথাবোৰ নাইকিয়া কৰি ভাৰসাম্য স্থাপনৰ কথা বুজায়। ৰাওলচে তেওঁৰ ন্যায় বিষয়ক জ্ঞান তত্ত্বৱদ্ধ কৰিছিল। ইয়াৰ বাবে তেওঁ ব্যক্তিগত আৰু ৰাজনৈতিকৰ মাজত এক ঈশ্বৰতত্ত্ব সৃষ্টি কৰিছিল। কিন্তু ৰাওলচ্ৰ সমালোচক সকলৰ কথাৰ পৰা এয়া গম পোৱা গৈছে যে সমসাময়িক যুগত তেওঁৰ তত্ত্বৰ বিৰুদ্ধে থকা সমালোচনাবোৰ সামৰি লোৱা ন্যায়ৰ এটা নতুন তত্ত্বৰ উত্থান ঘটাৰ প্রয়োজনীয়তা আছে।



অগ্রগতি নিৰীক্ষণ

১। ৰাওলচ্ৰ (Theory of Justice) গ্ৰন্থখন কেতিয়া প্ৰকাশিত হৈছিল?

২। ৰাওলচ্ৰ ন্যায়ৰ তত্ত্বটোক..... বুলিও জনা যায়। (খালী ঠাই পূৰণ কৰক)

৩। ন্যায় মানে কি?

৪। আনুষ্ঠানিক ন্যায় আৰু বৈষায়িক ন্যায় মানে কি?

৫। ন্যায় বিতৰম মানে কি?

৬। ৰাওলচ্ৰ ন্যায় তত্ত্বৰ দুটা নীতি উল্লেখ কৰক।

৭। ৰাওলচ্ৰ ন্যায় তত্ত্বৰ সমালোচনা কৰা কেইগৰাকীমান সমালোচকৰ নাম লিখক।

৮। ৰাওলচ্ৰ নাৰীবাদীসকলে কি কি কথাৰ বাবে সমালোচনা কৰিছে?

৯। তলৰ উক্তিবোৰ শুদ্ধনে অশুদ্ধ কওক—

(ক) ৰাওলচ্ৰ ন্যায় তত্ত্বটোক 'পক্ষপাতহীন ৰূপত ন্যায়' বুলিও জনা যায়।

(খ) বিতৰণসাধ্য ন্যায়ে সামগ্ৰীৰ সীমিত পৰিমাণক সামৰি লয়।

(গ) ৰাওলচ্ৰ নীতিয়ে মূলতঃ সকলোৰে মাজত সমতা স্থাপনৰ পোষকতা কৰে।

(ঘ) ব্যক্তিৰ স্বাধীনতাত আঘাত হ'লে ন্যায় ৰক্ষা নপৰে।

(ঙ) ন্যায় মানে কেৱল বাস্তৱতা নহয়।



১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ন্যায় হ'ল দার্শনিক তত্ত্বৰ স্বীকৃত বৈশিষ্ট্য (legal fairness)'। ইয়াৰ সহায়ত পক্ষপাতহীনতা (fairness) ক বাস্তৱ ৰূপ দিয়া হয়।
- অধিকাংশ শিক্ষায়তনিকে বিতর্কত লিপ্ত হোৱা বিষয়টো হ'ল ন্যায়ৰ ধাৰণা। এই ধাৰণাটোৰ জন ৰাওলচ্ৰ প্ৰসিদ্ধ 'প্ৰেভেদ নীত' (difference principle) ৰ ভিত্তিত উত্থান ঘটিছে বুলি কোৱা হয়। 'প্ৰভেদ নীত' অনুসৰি দুর্লভ সামগ্ৰী (ক্ষমতা, ধন, স্বাস্থ্যযত্নৰ সুবিধা আদি)ৰ বিতৰণত থকা অসমতাবোৰক তেতিয়াহে ন্যায়সংগত বুলি ক'ব পৰা যাব যেতিয়াএইবোৰে সমাজৰ সবাতোকৈ বঞ্চিত শ্ৰেণীবোৰে উপভোগ কৰিবলৈ পোৱা সা-সুবিধাবোৰৰ পৰিমাণ বৃদ্ধি কৰিব।
- ন্যায় বিতৰণ 'Just distribution' অথবা বিতৰণসাধ্য ন্যায় 'distributive justice' এ সমাজ ত্ৰখনৰ প্ৰকৃত অনুসৰি সামগ্ৰীৰ ন্যায়সংগত আবণ্টনৰ কথা বুজায়।
- এই ধাৰণাটোৰ সৈতে সামগ্ৰীৰ সহজলভ্য পৰিমান, সামগ্ৰী বিতৰণৰ প্ৰক্ৰিয়া আৰু সমাজৰ সদস্যসকলৰ মাজৰ সামগ্ৰীৰ কার্যফলকেন্দ্ৰিক আবণ্টনৰ দিশবোৰো জড়িত হৈ থাকে।

- ৰাওলচে বিশ্বসা কৰিছিল যে ন্যায় অনুষ্ঠান (just institutions) ৰ জৰিয়তে ন্যায় সৃষ্টি কৰিব পাৰি।
- ৰাওলচ্ৰ ন্যায় তত্ত্বটো ন্যায়ৰ দুটা মৌলিক নীতিৰ অভিযোজনক কেন্দ্ৰ কৰি বিকশিত হৈছে। দুয়োটা নীতিৰ মাজত সামঞ্জস্য স্থাপন হ'লে এখন ন্যায়পূৰ্ণ আৰু নৈতিকভাৱে গ্ৰহণযোগ্য সমাজৰ নিশ্চিতিপোৱা যায়।
- ৰাওলচৰ চিন্তাত ধৰা পৰা প্ৰধান সমস্যাটো হ'ল— এনেধৰণৰ নীতি কেনেকৈ সাৰ্বজনীনভাৱে গ্ৰহণ কৰা হ'ব সেয়া নিৰ্ধাৰণ কৰা। এইখিনিতেই সাধাৰণ ন্যায় নিষ্ঠ বিষয়বোৰে প্ৰশ্নৰ ৰূপ ধাৰণ কৰে।
- ৰাওলচ্ৰ মতে এখন সমাজৰ বাবে সবাতোকৈ যুক্তিসংগত ন্যায়ৰনীতিবোৰে সমাজখনৰ সদস্যসকলক 'অজ্ঞতাৰ আচ্ছাদন'ৰ আঁৰত থাকিবলৈ সন্মত কৰায়। প্ৰতিগৰাকী সদস্যকে একো একোটা নৈতিকক্ষমতা ৰূপে উপস্থাপন কৰিব পৰা পৰিস্থিতিত এই কথা প্ৰযোজ্য।
- সুযোগ-সুবিধাৰ পক্ষপাতহীন সমানতা বিৰাজ কৰা পৰিৱেশত সকলো ধৰণৰ জাতিগত, নৃগোষ্ঠীয় মূল কেন্দ্ৰিক, সামাজিক মানভিত্তিক, ধৰ্মীয় অসহিষ্ণুতা কেন্দ্ৰিক আৰু ধৰ্মীয় বিশ্বাস ভিত্তিক বৈষম্য আঁতৰাব পৰা যায়।
- চুজান ম'লেৰ অ'কিনৰ দৰে ৰাওলচ্ৰ নাৰীবাদী সমালোচকসকলে নাৰীকেন্দ্ৰিক সম্পৰ্কবোৰত প্ৰোথিত অন্যায় আৰু পদানুক্ৰমবোৰ বিবেচনা নকৰাৰ দোষত জগৰীয়া কৰিছিল।
- ৰাওলচ্ৰ যুক্তি অনুসৰি ন্যায় কেৱল সমাজৰ মৌলিক সংৰচনাৰ ক্ষেত্ৰতহে প্ৰযোজ্য।



১৫.৯ অধিক জানিবলৈ

John Scott and Gordon Marshal (2009, 3rd edition): Oxford Dictionary of Sociology

Helen McCabe, "John Rawls and Justice", Philosophy now: A Magazine Idea

John Rawls theory of Justice: Summery and Analysis, School work Helper

"Justice ", Political Theory: Concept and Debates, Virtual Learning Environment, ILL



১৫.১০ অগ্রগতিৰ খতিয়ান

১ । প্রথম প্রকাশ— ১৯৭১ চন, সংশোধিত সংস্কৰণ-১৯৭৫ আৰু ১৯৯৯ চন।

২ । পক্ষপাতহীন ৰূপত ন্যায়।

৩ । ন্যায় হ'ল দার্শনিক তত্ত্বৰ স্বীকৃত বৈশিষ্ট্য (legal fairness)'। ইয়াৰ সহায়ত পক্ষপাতহীনতা (fairness) ক বাস্তৱ ৰূপ দিয়া হয়। ই হ'ল সামাজিক জীৱনৰ কেন্দ্রীয় নৈতিক স্বীকৃত মান। সামাজিক তত্ত্ব আৰু সামাজিক কার্যত ন্যায়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

৪ । আনুষ্ঠানিক ন্যায়ৰ আধাৰ আইন আৰু বৈষয়িক ন্যায়ৰ আধাৰ হ'ল নৈতিকতা তথা ৰাজনীতি।

৫ ন্যায় বিতৰণ 'Just distribution' অথবা বিতৰণসাধ্য ন্যায় 'distributive justice' এ সমাজ ত্রখনৰ প্রকৃত অনুসৰি সামগ্রীৰ ন্যায়সংগত আবণ্টনৰ কথা বুজায়। এই ধাৰণাটোৰ সৈতে সামগ্রীৰ সহজলভ্য পৰিমান, সামগ্রী বিতৰণৰ প্রক্রিয়া আৰু সমাজৰ সদস্যসকলৰ মাজৰ সামগ্রীৰ কার্যফলকেন্দ্রিক আবণ্টনৰ দিশবোৰো জড়িত হৈ থাকে।

৬ । প্রথম নীতিটোৱে এই নিশ্চিতি প্রদান কৰে যে প্রতিগৰাকী ব্যক্তিৰেই অধিকাৰ হ'ল সর্বাংগীন প্রকৃতিৰ মৌলিক স্বাধীনতা আৰু ই অন্য ব্যক্তিৰ স্বাধীনতাৰ সৈতে অবিৰোধীভাৱে সহাৱস্থান কৰিব পাৰে। দ্বিতীয় নীতিটোৰ মতে সামাজিক আৰু অর্থনৈতিক স্থিতিবোৰ (ক) প্রতিগৰাকী ব্যক্তিকে সুবিধা প্রদানকাৰী আৰু (খ) প্রতিগৰাকী ব্যক্তিৰ বাবে মুকলি হ'ব লাগে।

৭ । ৰ'বার্ট নজিক, মাইকেল চান্দেল, মাইকেল ৱালজাৰ।

৮ । চুজান ম'লেৰ অ'কিনৰ দৰে ৰাওলচ্ৰ নাৰীবাদী সমালোচকসকলে নাৰীকেন্দ্রিক সম্পর্কবোৰত প্রোথিত অন্যায় আৰু পদানুক্রমবোৰ বিবেচনা নকৰাৰ দোষত জগৰীয়া কৰিছিল। ৰাওলচ্ৰ যুক্তি অনুসৰি ন্যায় কেৱল সমাজৰ মৌলিক সংৰচনাৰ ক্ষেত্রতহে প্রযোজ্য।

৯ । (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ (ঙ) অশুদ্ধ



১৫.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন-

(১) ৰাওলচ্ৰ তত্ত্বই কি সমস্যা সমাধানৰ চেষ্টা কৰে।

(২) অধিকাংশ শিক্ষায়তনিকে বিতর্কত লিপ্ত হোৱা ন্যায়ৰ ধাৰণাটো কি?

(৩) মৌলিক স্থিতি / অৱস্থান মানে কি?

(৪) ন্যায়ৰ ৰাজনৈতিক ধাৰণাই সামৰি লোৱা সমস্যাবোৰ কি কি?

(৫) হিপ'ক্রেটিক শপতবাক্য কি?

(খ) চুটি প্রশ্ন (উত্তৰ প্রায় ১৫০ মান শব্দৰ ভিতৰত) কৰিব।

(১) ৰাওলচ্ৰ মতে 'সামাজিক উদবৃত্ত' কি?

(২) 'অজ্ঞতাৰ আচ্ছাদন' মানে কি? আলোচনা কৰক।

(৩) আমাৰ সামাজিক পৰিস্থিতিক কেতিয়া ন্যায়সংগত বুলি কোৱা হয়?

(৪) ৰাওলচ্ৰ মতে সমাজৰ মৌলিক সংৰচনা কেনে হোৱা উচিত।

(৫) ৰাওলচ্ৰ মতে ন্যায়ৰ সবাতোকৈ যুক্তিসংগত নীতিবোৰ কি?

(গ) ৰচনাধর্মী প্রশ্ন ঃ (উত্তৰ প্রায় ২৫০ মান শব্দৰ ভিতৰত) কৰিব।

(১) ৰাওলচ্ৰ পক্ষপাতহীন ৰূপত ন্যায়ৰ ধাৰণা

(২) ৰাওলচ্ৰ ন্যায়ৰ নীতিৰ গ্রহণযোগ্যতা

(৩) ন্যায়সংগত অনুষ্ঠানৰ দ্বাৰা ন্যায় সৃষ্টি কৰিব পাৰি বুলি ৰাওলচে প্রকাশ কৰা বিশ্বাস

(৪) সমসাময়িক যুগত ন্যায় বিষয়ক এটা নতুন তত্ত্বৰ প্রয়োজনীয়তা।

(ঘ) ৰচনাধর্মী প্রশ্ন ঃ (উত্তৰ প্রায় ৩০০-৫০০ মান শব্দৰ ভিতৰত) কৰিব।

(১) ৰাওলচ্ৰ ন্যায় তত্ত্বটো কি? ব্যাখ্যা কৰক।

(২) ৰাওলচ্ক সমালোচকসকলে কিহৰ ভিত্তিত সমালোচনা কৰিছে বর্ণনা কৰক

****



প্রসংগ পুথি

ইংৰাজী গ্ৰন্থ ঃ

- Bhusan, Vidya & Sachdeva, D.R. 2012 Fundamentats of Sociology, Dorling Kindersley (India) Pvt. Ltd.
- Dasgupta, Samir & Saham Paulomi, 2012 An Introduction to Sociology. Dorling Kindersley (India) Pvt. Ltd.
- Perry, John & Perry, Erna, 2010 Contemparary Society.Dorling Kindersley Indian Pvt. Ltd.
- Francis, M.2006. Contemparary Sociology. Oxford University Press.
- Bhusan, Vidya & Sachdeva, D.R.2005.Text Book of Sociology. kitab Mahal. New Delhi.
- T.B. Bottomore. Sociology: A guide to problems and Literature, Mumbai; Blackie & Son (India) Ltd.
- Madan. T.N. and D.N. Majumdar (1987). An Introduction to social Anthropology. New Delhi: National Publishing House.
- Sinha , J.N.(2004) *A Manual of Ethics*. surjeet prglications.
- Rawat, H.K.(2007) *Socialogy*. Ra wat publications.
- Mackenzie, Johns. (2004) *A Manual of Ethics*, surject publications.
- Agarwal, R.C. (2006). *Political Theory-Principles of Political Science.* New Delhi: S. Chand and Company.
- Gauba, O.P. (2007). *An Introduction to Political Theory (Fourth Edition)*. New Delhi: Macmillan India Ltd.
- Kapur,A.C.(2006). *Principles of Political Science*. New Delhi:S. Chand and Company.
- Mahajan V.D. (2006). *Political Theory*. New Delhi: S. Chand and Company.
- Sinha.J. 1986. A Manual of Ethics. New Central Book Academy Calcutta.
- Pal. J. 2007. The Moral Philosophy of Gandhi.Gyan Publishing House.
- Sanyal. S. 1984. Guide to Ethics. Sribhumi Pub. co.

অসমীয়া গ্রন্থ ঃ

- গগৈ, পুৰন্দৰ (২০০৪)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়* । গুৱাহাটীঃ বনলতা।
- গোঁহাই,নবীন (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । যোৰহাটঃ ইউনিকা প্রকাশন।
- চক্রবর্তী, আদ্যনাথ (২০০৪) । *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ জ্যোতি প্রকাশন।
- পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, অধ্যাপক প্রতুল চন্দ্র (২০০৭)। *স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব* । গুৱাহাটীঃ অৰুণ প্রকাশন।